2018

## ( Business Economics )

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 80

*Pass Marks* : 24

www.prepnext.com

**1.** তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া : 1×8=8

Answer the following as directed :

(a) বাণিজ্যিক অৰ্থনীতিৰ এটা উত্তম অৰ্থ হৈছে

Business economics is best defined as the economic study of

(i) কেনেদৰে ব্যৱসায়ত সৰ্বোচ্চ লাভ অৰ্জ্জন কৰিব পাৰি তাৰ এক অৰ্থনৈতিক অধ্যয়ন

how maximum profit can be made in a business

(ii) কেনেদৰে সম্পদসমূহ সৰ্বোচ্চ ব্যৱহাৰ কৰিব পাৰি তাৰ এক অৰ্থনৈতিক অধ্যয়ন

how business can make maximum use of resources

(iii) ব্যৱসায়ত উদ্ভৱ হোৱা সমস্যাসমূহ কেনেদৰে সমাধান কৰিব পাৰি তাৰ এক অৰ্থনৈতিক অধ্যয়ন

how the problems of business can be solved

(iv) উৎপাদিত সামগ্ৰী কেনেদৰে সৰ্বাধিক বিক্ৰি কৰিব পাৰি তাৰ এক অৰ্থনৈতিক অধ্যয়ন

how most of the products can be sold

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )

( Choose the correct answer )

(b) দৰ কৌশল যোগান আৰু _____ ওপৰত নিৰ্ভৰশীল।

( খালি ঠাই পূৰণ কৰা )

Price mechanism is based on supply and _____.

( Fill in the blank )

(c) য'ত চাহিদাৰ স্থিতিস্থাপক অসীম হয় তাকে চাহিদাৰ _____ বুলি কোৱা হয়।

( খালি ঠাই পূৰণ কৰা )

Demand is called _____ where demand elasticity is infinity.

( Fill in the blank )

www.prepnext.com

(d) যুগ্ম চাহিদাৰ এটা উদাহৰণ দিয়া।

Give an example of joint demand.

(e) "সমউৎপাদন ৰেখা কেতিয়াও *OX*-অক্ষৰ সমান্তৰাল বা উলম্ব হ'ব নোৱাৰে।"

( শুদ্ধ নে অশুদ্ধ লিখা )

"Isoproduct curve can never be a horizontal or vertical line along *OX*-axis."

( Write True or False )

(f) "যি অৱস্থাত উৎপাদন ব্যয় সম্প্ৰসাৰণৰ তুলনাত উৎপাদন মাত্ৰাৰ সম্প্ৰসাৰণ কম হয়, তেনে অৱস্থাটোকে অৰ্থনৈতিক মিতব্যয় বুলি কোৱা হয়।"

( শুদ্ধ নে অশুদ্ধ লিখা )

"When scale of production decreases with the expansion of scale of production cost, it is known as economies."

( Write True or False )

(g) বজাৰৰ শ্ৰেণীবিভাজন প্ৰধানতঃ দুটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰে *(i)* ব্যৱসায়িক প্ৰতিষ্ঠানৰ সংখ্যা আৰু *(ii)* _____ ।

( খালি ঠাই পূৰণ কৰা )

The classification of market depends mainly on two factors *(i)* number of firms and *(ii)* _____.

( Fill in the blank )

www.prepnext.com

(h) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দীৰ্ঘকালত ভাৰসাম্যৰ দৰ

In long-run equilibrium, the price in perfectly competitive market is equal to

(i) হ্ৰস্বকালৰ প্ৰান্তীয় ব্যয়ৰ সমান হয়

short-run marginal cost

(ii) হ্ৰস্বকালৰ গড় ব্যয়ৰ সমান হয়

short-run average total cost

(iii) প্ৰান্তীয় আয়ৰ সমান হয়

marginal revenue

(iv) ওপৰৰ এটাও নহয়

None of the above

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )

( Choose the correct answer )

**2.** তলৰ প্ৰশ্নবিলাকৰ চমু উত্তৰ লিখা : 4×4=16

Answer the following questions in brief :

(a) বাণিজ্যিক অৰ্থনীতিৰ চাৰিটা মুখ্য বৈশিষ্ট্য উল্লেখ কৰা।

Mention four chief characteristics of business economics.

(b) ব্যৱসায় ব্যৱস্থাপনাত চাহিদাৰ স্থিতিস্থাপকতাৰ গুৰুত্ব লিখা।

Write the importance of elasticity of demand in business management.

www.prepnext.com

(c) উৎপাদনৰ ক্রমবর্ধমান প্রতিদান মাত্রাৰ বিষয়ে এটা চমু টোকা লিখা।

Write a short note on increasing retures to scale.

(d) এখন উৎপাদন প্রতিষ্ঠানৰ হ্রস্বকালীন যোগান ৰেখাৰ ওপৰত এটা টোকা লিখা।

Write a note on the short-run supply curve of a firm.

**3.** (a) বাণিজ্যিক অর্থনীতি আৰু পৰম্পৰাগত অর্থনৈতিক তত্ত্বৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰা আৰু দুয়োটাৰে মাজত থকা বৈষম্যখিনি আলোচনা কৰা। 6+8=14

Discuss the relationship between business economics and traditional economics and also distinguish between them.

অথবা / Or

(b) বাণিজ্যিক অর্থনীতিৰ প্রকৃতি, পৰিধি আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰা। 14

Discuss the nature, scope and characteristics of business economics.

**4.** (a) চাহিদাৰ দৰ স্থিতিস্থাপকতা কি? সম্পূর্ণ স্থিতিস্থাপক আৰু সম্পূর্ণ অস্থিতিস্থাপক চাহিদা চিত্রৰ সহায়ত ব্যাখ্যা কৰা।

2+6+6=14

What is price elasticity of demand? Explain perfectly elastic and perfectly inelastic demand with the help of diagrams.

www.prepnext.com

অথবা / *Or*

*(b)* যোগান বিধি মানে কি? যোগান বিধিৰ ব্যাখ্যাৰ ক্ষেত্ৰত আৱশ্যক হোৱা অভিধাৰণাসমূহ কি কি? চিত্ৰৰ সহায়ত ব্যক্তিগত যোগান ৰেখা আৰু বজাৰ যোগান ৰেখা ব্যাখ্যা কৰা। 2+4+8=14

What is law of supply? What are the assumptions necessary for explanation of the law of supply? Explain the individual supply curve and the market supply curve with diagram.

**5.** *(a)* পৰিৱৰ্তনশীল অনুপাত বিধিটো চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা। এই বিধিৰ কোনটো স্তৰত এজন বিবেচক উৎপাদন কৰ্তাই উৎপাদন কৰিব আৰু কিয়? 10+4=14

Explain the law of variable proportions with diagram. In which stage of the law a rational producer will produce and why?

অথবা / *Or*

*(b)* সমউৎপাদন ৰেখা মানে কি? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা। 4+10=14

What is isoproduct curve? Discuss the main characteristics of isoproduct curve.

www.prepnext.com

6. *(a)* পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দৰ কেনেদৰে নিৰ্ণয় কৰা হয়, আলোচনা কৰা। 8+6=14

Mention the characteristics of perfectly competitive market. Discuss how the price is determined under perfectly competitive market.

অথবা / *Or*

*(b)* ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসাম্য মানে কি বুজা? ব্যৱসায় প্ৰতিষ্ঠান এখনে কেনেদৰে ভাৰসাম্য লাভ কৰে তাক মুঠ আয় আৰু মুঠ ব্যয় ধাৰণাৰ সহায়ত ব্যাখ্যা কৰা। 4+10=14

What is meant by equilibrium of firm? Explain how firm attains equilibrium with the help of total revenue and total cost approach.

www.prepext.com

( Old Course )

*Full Marks* : 80

*Pass Marks* : 32

**1.** তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া : 1×8=8

Answer the following as directed :

*(a)* বাণিজ্যিক অৰ্থবিজ্ঞানৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

Mention one characteristic of business economics.

*(b)* চাহিদাৰ পূৰ্ণ স্থিতিস্থাপক ৰেখাডাল ভূমিৰ সমান্তৰাল/উলম্ব হয়।

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )

A perfectly elastic demand curve is parallel/perpendicular to the base.

( Choose the correct answer )

*(c)* উচ্চ সমউৎপাদন ৰেখাই অধিক উৎপাদন প্ৰতিনিধিত্ব কৰে।

( শুদ্ধ নে অশুদ্ধ লিখা )

Higher isoproduct curve represents higher level of production.

( Write True or False )

*(d)* এখন বাণিজ্যিক প্ৰতিষ্ঠানৰ এটা উদ্দেশ্য উল্লেখ কৰা।

Mention one objective of a firm.

www.prepnext.com

(e) চাহিদাৰ এক নিৰ্ণায়ক হৈছে বিকল্প দ্ৰব্যৰ দাম।

( শুদ্ধ নে অশুদ্ধ লিখা )

Price of the substitute good is one of the determinants of demand.

( Write True or False )

(f) অৰ্থনীতিৰ এটা সাধাৰণ সমস্যা উল্লেখ কৰা।

Mention one basic problem of an economy.

(g) মুক্ত প্ৰৱেশ আৰু _____ হৈছে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ এটা প্ৰয়োজনীয় বৈশিষ্ট্য।

( খালি ঠাই পূৰণ কৰা )

Free entry and _____ is one of the important characteristics of perfect competition.

( Fill in the blank )

(h) অতি হ্ৰস্বকালীন দৰক স্বাভাৱিক দৰ বোলে।

( শুদ্ধ নে অশুদ্ধ লিখা )

Very short-run price is known as normal price.

( Write True or False )

www.prepnext.com

2. তলৰ প্ৰশ্নবিলাকৰ চমু উত্তৰ লিখা : 4×4=16

Answer the following questions in brief :

(a) বাণিজ্যিক অৰ্থবিজ্ঞান আৰু পৰম্পৰাগত অৰ্থবিজ্ঞানৰ মাজত সম্পৰ্ক লিখা।

Highlight the relationship between business economics and traditional economics.

(b) আভ্যন্তৰীণ মিতব্যয়িতাৰ অৰ্থ আৰু কাৰকবোৰ লিখা।

Write the meaning and causes of internal economics.

(c) যোগান বিধিটো আলোচনা কৰা।

Discuss the law of supply.

(d) সমউৎপাদন ৰেখাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা।

Mention four properties of isoquants.

3. (a) বাণিজ্যিক অৰ্থবিজ্ঞান কি? বাণিজ্যিক অৰ্থনীতিৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা। 2+12=14

What is business economics? Discuss the nature and scope of business economics.

www.prepnext.com

অথবা / *Or*

*(b)* বাণিজ্যিক অৰ্থনীতিত পৰিচালক এজনৰ ভূমিকা আৰু দায়িত্বসমূহ সম্পৰ্কে আলোচনা কৰা। 14

Discuss the role and responsibilities of a manager in business economics.

**4.** *(a)* চাহিদাৰ স্থিতিস্থাপকতা কি? চাহিদাৰ স্থিতিস্থাপকতা নিৰ্ধাৰণকাৰী উপাদানসমূহ ব্যাখ্যা কৰা। 4+10=14

What is elasticity of demand? Explain the factors that determine the elasticity of demand.

অথবা / *Or*

*(b)* চাহিদাৰ স্থিতিস্থাপকতাৰ তলত দিয়া প্ৰকাৰকেইটা ব্যাখ্যা কৰা : 7+7=14

Explain the following types of elasticity of demand :

*(i)* দৰ স্থিতিস্থাপকতা

Price elasticity

*(ii)* তিৰ্যক স্থিতিস্থাপকতা

Cross-elasticity

**5.** *(a)* পৰিবৰ্তনশীল অনুপাত বিধিটো উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা। 14

Explain the law of variable proportions with suitable diagram.

www.prepnext.com

অথবা / Or

(b) সমউৎপাদন ৰেখাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা। 14

Explain the characteristics of isoquants.

**6.** (a) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ কি? পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা। এই বজাৰত দীৰ্ঘকালীন সময়ত কিদৰে দৰ নিৰ্ধাৰণ কৰা হয়? 2+4+8=14

What is perfect competition? Mention four characteristics of perfect competition. How is price determined in the long-term in this market?

অথবা / Or

(b) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু একচেটিয়া বজাৰৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা। 14

Discuss the differences between perfect competition market and monopoly market.

★★★

www.prepnext.com